# ASSAM LEGISLATIVE ASSEMBLY

## (ONE DAY SESSION)

## BULLETIN PART- I

## BRIEF RECORD OF PROCEEDINGS

## MONDAY, THE 9th June, 2025

The One Day Session of the Assembly commenced at 9.30 am for disposal of certain matters of public importance.

National Anthem was played

**9.30 A.M.**

**1.1**

### OBITUARY REFERENCES

The Speaker made references to the passing away of the following :-

| | | |
|---|---|---|
| 1. | Sukur Ali Ahmed | - Former Minister of Assam |
| 2. | Maniki Gogoi | - Veteran Freedom Fighter |
| 3. | Dr. Lakhyahira Das | - Eminent Educationist , lyricist, poet & singer |
| 4. | Bhabani Prasad Adhikari | - Renowned Educationist, Litterateur |
| 5. | Nagen Thakur | - Educationist, Litterateur, Linguist |
| 6. | Chandra Kumar Sarma | - Retired State Election Commissioner |
| 7. | Damodar Bora | - Eminent Musician & Sattriya Artist |
| 8. | Ashok Bordoloi | - Practitioner of Assamese Culture, eminent dancer |
| 9. | Mehtab Hussain | - Renowned Actor & Director |
| 10. | Hema Dutta | - Lyricist, Composer, Playwright & documentary Director |
| 11. | Lakhinat Brahma | - Eminent Bodo Litterateur, Sahitya Akadami awardee |
| 12. | Failao Basumatary | - Actor |
| 13. | Gitali Barua | - Actress & Litterateur |
| 14. | Gayatri Hazarika | - Eminent Singer |

The Hon'ble Speaker also made references of the Civilians killed in Pahalgam by Pakistani terrorists on 22nd April, 2025 as well as recent flood victims in our state.

**9.36 A.M.**

**1.2**

### REFERENCE BY THE SPEAKER

Hon'ble Speaker made a reference on the cowardly terror attack at Pahalgum on April, 22, 2025 where Twenty-six innocent tourists were killed brutally, on the basis of the religion, and India's retaliatory response through execution of the Operation "Sindoor" - the military strikes on the terrorist base in the Pakistan and Pakistan-

occupied Kashmir, in the early hours of 7th May, 2025. Stating the Military action of India as non-escalatory, precise, and targeted base to terrorist training camps at nine different locations within Pakistan and Pakistan Occupied Kashmir only, Hon'ble Speaker mentioned that no Pakistan military targets were engaged. However, in the early hours of May 8, Pakistan, in an escalated response, launched coordinated drone and missile strikes targeting over a dozen Indian military installations across the Northern and Western theatres.

Concurrently, along the Line of Control in Jammu & Kashmir, Pakistan escalated to unprovoked mortar and heavy-calibre artillery fire into civilian areas in which sixteen innocent lives were lost, including three women and five children. Here too, India was compelled to respond in equal proportion with mortar and artillery fire. Hon'ble Speaker stated "India's offensive strikes were executed without loss of Indian assets, underscoring the effectiveness of our surveillance"

Congratulating the Indian Armed Forces and the Government of India on the resounding success of 'Operation Sindoor' on behalf of the Members of the Assam Legislative Assembly, Hon'ble Speaker termed this achievement as remarkable showcasing the unwavering dedication, bravery, and strategic prowess of our Armed Forces.

He stated that the state of Assam also stood in solidarity with Indian Armed Forces and Indian Government in that tough time and accordingly Hon'ble Chief Minister of Assam Dr. Himanta Biswa Sarma, deputed his cabinet colleagues to meet the bereaved family members of the Pahalgum victims to extend heartfelt condolences and to hand over a cheque of Rs. 5 lakhs to them personally. Hon'ble Speaker on behalf of the Members of Assam Legislative Assembly extended heartfelt gratitude to the Hon'ble Chief Minister of Assam for this kind gesture.

**9.42 A.M.**
**1.3**

## ANNOUNCEMENT OF THE BAC REPORT

Hon'ble Speaker announced the Report of the Business Advisory Committee, Assam Legislative Assembly settling the Business for One Day Session, 2025 of the Assembly.

**9.44 A.M.**
**1.4**

## ZERO HOUR

The following Members raised matters as mentioned below :

i) Hon'ble Member Shri Nurul Huda raised :
"লংকাত সন্ধিয়া নামিলেই ক'লা পালচাৰ বাইক আৰোহীৰ সন্ত্ৰাস"

Hon’ble Chief Minister Dr. Himanta Biswa Sarma replied to the matter raised.

* ii) Hon’ble Member Shri Ashraful Hussain raised :

“উচ্চ/উচ্চতম ন্যায়ালয়ৰ জামিন পোৱা স্বত্বেও ডিটেনচন কেম্পত আটক আব্দুল খালেক, পুলিচৰ দ্বাৰা তথাকথিত পুশ বেক কৰা হ’ল খাইৰুল ইছলাম, মনোৱাৰ খাতুন আৰু অন্যান্য ব্যক্তিক, উচ্চ নতুবা উচ্চতম ন্যায়ালয়ৰ দ্বাৰা জামিন প্ৰদান কৰা স্বত্তেও কেইবাজনো ব্যক্তি এতিয়াও ডিটেনচন কেম্পত আটক হৈ আছে, যিটো ন্যায় আৰু মানবীয় অধিকাৰৰ পৰিপন্থী”।

iii) Hon’ble Member Shri Ramendra Narayan Kalita raised :
“টাউনশ্বিপৰ প্ৰস্তাৱ বাতিল - ২,১০০ পৰিয়ালক পট্টা দিয়াৰ দাবী উত্থাপন সমিতিৰ”
Hon’ble Chief Minister Dr. Himanta Biswa Sarma replied to the matter .

**<u>10:35 A.M.</u>**
**<u>1.5</u>**

## <u>CALLING ATTENTION UNDER RULE 54</u>

Hon’ble Member Shri Kamalakhya Dey Purkayastha raised a matter under the caption the following matter :“কাটিগড়া তালকর গ্রাণ্টে বাড়ির উপর ভূমিস্খলন, আহত ৭”।

Hon’ble Minister Shri Keshab Mahanta replied to the matter raised .

**<u>10:45 A.M.</u>**
**<u>1.6</u>**

## <u>SPECIAL MENTION UNDER RULE 301</u>

The following Hon’ble Members raised the matters as mentioned below:

(i) Hon’ble Member Shri Durga Das Boro raised :
“Advantage Assam 2.0 Investment আৰু নিয়োগ সম্পৰ্কে”
Hon’ble Minister Shri Bimal Bora replied to the matter raised .

(ii) Hon’ble Member Shri Rupjyoti Kurmi raised :
“ হাতী মানুহৰ সংঘাত প্ৰভাৱিত এলেকাত সৌৰ বেৰ আৰু ‘হাতী এপ’ৰ ব্যৱহাৰ”
Hon’ble Minister Shri Chandra Mohan Patowary replied to the matter raised.

* Replied together by Hon’ble Chief Minister during special Mention

.

(iii) Hon'ble Member Shri Rekibuddin Ahmed raised :
" দক্ষিণ কামৰূপ ঐতিহাসিক চমৰীয়া সত্ৰৰ সংৰক্ষণ আৰু উন্নয়ন সম্পৰ্কে"

Hon'ble Minister Shri Ranjeet Kumar Dass replied to the matter raised.

(iv) * Hon'ble Leader of the Opposition Shri Debabrata Saikia raised :
"NRC ৰ কাম সোনকালে শেষ কৰাৰ সম্পৰ্কত "

Hon'ble Chief Minister Dr. Himanta Biswa Sarma replied to the matter raised.

**12:49 P.M.**
**1.7**

## GOVERNMENT RESOLUTION - ADOPTED

Hon'ble Minister Shri Jogen Mohan moved the following Resolution :

"WHEREAS, the Director General of Civil Aviation, Ministry of Civil Aviation, Government of India, New Delhi, has issued an 'Aerodrome Licence Defence and Public Use' to the Airport Authority of India for "Dibrugarh Airport" in Assam, in pursuance of rules contained in Part XI of the Aircraft Rules, 1937, made in exercise of the powers conferred by sections 5 and 7 and sub-section (2) of section 8 of the Aircraft Act, 1934 (XXII of 1934);

AND WHEREAS, it is expedient to rename the said Airport at Dibrugarh as "Bharat Ratna Bhupen Hazarika Airport, Dibrugarh" and for that purpose, to obtain the approval of the Ministry of Civil Aviation, Government of India, after obtaining the approval of the State Legislature;

NOW, THEREFORE, in pursuance of Rule 117 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, the Assam Legislative Assembly today unanimously adopted a resolution recommending the Central Government to rename the said Airport as 'Bharat Ratna Bhupen Hazarika Airport, Dibrugarh'."

**

---

* Replied together on the Zero Hour and Special Mention, by Hon'ble Chief Minister

**The House adjourned for half-an-hour at 12.50 P.M. due to interruption.

The following Members participated in the discussion –

1) Shri Prasanta Phukan
2) Shri Atul Bora
3) Shri Debabrata Saikia
4) Shri Padma Hazarika
5) Shri Mrinal Saikia
6) Shri Keshab Mahanta
7) Shri Diganta Barman
8) Shri Bimal Bora
9) Dr. Ranoj Pegu
10) Shri Ramkrishna Ghosh
11) Shri Prithiraj Rava
12) Shri Gobinda Chandra Basumatary
13) Dr. Rafiqul Islam
14) Shri Durga Das Boro
15) Shri ManoranjanTalukdar
16) Shri Akhil Gogoi
17) Shri Abdur Rashid Mandal

Hon'ble Chief Minister Dr. Himanta Biswa Sarma replied and the Resolution was adopted by the House unanimously.

**3:40 P.M.**
**1.8**

## MOTION UNDER RULE 131 - ADOPTED

Hon'ble Member Shri Siddhartha Bhattacharya moved the following Motion –

"That this House congratulates the Indian Armed Forces and the Government of India on the resounding success of Operation Sindoor' the non-escalatory Military operation, targeting terrorist training camps in the Pakistan and Pakistan-occupied Kashmir, which has curbed the terrorist network and eliminated the future threats without the loss of Indian assets and showcasing unwavering dedication bravery and strategic prowess of our Armed Forces."

The following members participated in the discussion –

1) Shri Debabrata Saikia
2) Shri Sushanta Borgohain
3) Dr.Rafiqul Islam
4) Shri Prodip Hazarika
5) Shri Jakir Hussain Sikdar
6) Shri Manab Deka
7) Shri Manoranjan Talukdar
8) Shri Kamalakhya Dey Purkayastha

Hon'ble Chief Minister Dr. Himanta Biswa Sarma replied and the Motion was adopted by the House on voice vote.

**5:25 P.M.**

**1.9**

## DISCUSSION UNDER RULE- 50

Hon'ble Member Shri Bhaskar Jyoti Baruah raised a discussion regarding "জল জীৱন মিছ্নৰ বিফলতা।"

The following Members participated in the discussion-

1) Shri Biswajit Phukan
2) Shri Ashraful Hussain
3) Shri Jakir Hussain Sikdar
4) Shri Manoranjan Talukdar
5) Shri Akhil Gogoi
6) Shri Durga Das Boro

Hon'ble Minister Shri Jayanta Malla Baruah replied to the discussion.

**6.44 P.M.**

**1.10**

The Business listed for the day concluded with the Valedictory Speech made by the Hon'ble Deputy Speaker.

**6.48 P.M.**

## STATE ANTHEM

The State Anthem was played.

**6.49 P.M.**

The House adjourned Sine die at 6:49 P.M.

**Dispur**
The 9th June, 2025

**Sd/-D. Pegu**
Secretary,
Assam Legislative Assembly

Memo No.LALNG/BL/01/2025/ 2517 Dated Dispur the, 9th June, 2025.

Copy forwarded to the Hon'ble Members of the Assam Legislative Assembly.

Chief Reporter-Cum- Editor of Debates
&Ex-Officio Joint Secretary
Assam Legislative Assembly

**অসম বিধান সভা**

**এদিনীয়া অধিবেশন**

**সংবাদ - বিবৃতি (প্ৰথম খণ্ড)**

**(সংক্ষিপ্ত কাৰ্যবিৱৰণী)**

**সোমবাৰ, ৯ জুন , ২০২৫**

কিছু ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ নিষ্পত্তিৰ বাবে আহ্বান কৰা এই এদিনীয়া অধিবেশনৰ বৈঠক ৰাতিপুৱা ৯.৩০ বজাত আৰম্ভ হয়।

বৈঠকৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়।

**ৰাতিপুৱা ৯.৩০ বজাত**

**১.১ মৃত্যু প্ৰসঙ্গ**

মাননীয় অধ্যক্ষই নিম্নোল্লিখিত ব্যক্তিসকলৰ মৃত্যুত শোক প্ৰকাশ কৰে ঃ-

১) শুকুৰ আলি আহমেদ - প্ৰাক্তন মন্ত্ৰী

২) মাণিকী গগৈ - প্ৰবীণ মুক্তিযোদ্ধা

৩) ড° লক্ষ্যহীৰা দাস - প্ৰসিদ্ধ শিক্ষাবিদ, গীতিকাৰ তথা যশস্বী কণ্ঠশিল্পী

৪) ভৱানী প্ৰসাদ অধিকাৰী - বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক

৫) ড° নগেন ঠাকুৰ - শিক্ষাবিদ, সাহিত্যিক তথা বিশিষ্ট ভাষাতত্ববিদ

৬) চন্দ্ৰ কুমাৰ শৰ্মা - অৱসৰপ্ৰাপ্ত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত

৭) দামোদৰ বৰা - বিশিষ্ট সংগীতজ্ঞ তথা শাস্ত্ৰীয় সংগীতৰ শিল্পী

৮) অশোক বৰদলৈ - সাংস্কৃতিক কৰ্মী তথা প্ৰবীণ নৃত্যশিল্পী

৯) মেহতাব হুছেইন - বিশিষ্ট অভিনেতা তথা ছবি পৰিচালক

১০) হেম দত্ত - প্ৰসিদ্ধ গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ তথা তথ্যচিত্ৰ পৰিচালক

১১) লক্ষ্মীনাথ ব্ৰহ্ম - প্ৰতিথযশা বড়ো সাহিত্যিক তথা সাহিত্য অকাডেমী বঁটাপ্ৰাপক

১২) ফৈলাও বসমুতাৰী - অভিনেতা

১৩) গীতালি বৰুৱা - বিশিষ্ট অভিনেত্ৰী তথা সাহিত্যিক

১৪) গায়ত্ৰী হাজৰিকা - বিশিষ্ট কণ্ঠশিল্পী

মাননীয় অধ্যক্ষই ইয়াৰ লগতে ২০২৫ চনৰ ২২ এপ্ৰিল তাৰিখে পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ ব্যক্তিসকলৰ উপৰিও ৰাজ্যখনৰ শেহতীয়া বানপানীত প্ৰাণ হেৰুওৱা লোকসকলৰ বিষয়েও মৃত্যু প্ৰসঙ্গত উল্লেখ কৰে।

**ৰাতিপুৱা ৯.৩৬ বজাত**

**১.২**

## অধ্যক্ষৰ প্ৰসঙ্গ

মাননীয় অধ্যক্ষই দেশৰ সুৰক্ষা, সাৰ্বভৌমত্ব তথা প্ৰতিৰক্ষা বিষয়ৰ লগত জড়িত কিছু গুৰুত্বপূৰ্ণ প্ৰসঙ্গ উল্লেখ কৰে। মাননীয় অধ্যক্ষই উল্লেখ কৰে যে বিগত ২২ এপ্ৰিল তাৰিখে জম্মু আৰু কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে ২৬ গৰাকীকৈ নিৰীহ পৰ্য্যটকক ধৰ্মৰ ভিত্তিত বিভাজিত কৰি শীতল মস্তিষ্কৰে অতি নৃশংসতাৰে হত্যা কৰে। তাৰ প্ৰত্যুত্তৰত ভাৰত চৰকাৰে ৭ মে' তাৰিখে 'অপাৰেচন সিন্দূৰ' নামৰ সামৰিক অভিযানেৰে পাকিস্তান আৰু পাক-অধিকৃত কাশ্মীৰত অৱস্থিত কেইবাটাও সন্ত্ৰাসবাদীৰ ঘাটিত আঘাত হানে । অঞ্চলটোত সন্ত্ৰাসবাদীৰ কাৰ্য্যকলাপ অথবা সন্ত্ৰাসবাদীৰ আশ্ৰয়স্থলসমূহ সম্পৰ্কে পাকিস্তানে বাৰে বাৰে অস্বীকাৰ কৰি অহা হেতুকে ভাৰত চৰকাৰে এনে দৃঢ় তথা দায়িত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হয়।

অপ্ৰৰোচিত এই অভিযানে পাকিস্তান তথা পাক-অধিকৃত কাশ্মীৰৰ ৯ টাকৈ সন্ত্ৰাসবাদীৰ ঘাটিক সুনিৰ্দিষ্টকৈ লক্ষ্য কৰি লৈছিল । কোনো ধৰণৰ সামৰিক ঘাটি এই অভিযানৰ লক্ষ্য নাছিল । কিন্তু অতি প্ৰৰোচিত মনোভাৱেৰে পাকিস্তানে বিগত ৮ মে' তাৰিখে ড্ৰোণ, মিছাইল ইত্যাদিৰে ভাৰতৰ উত্তৰ তথা পশ্চিম প্ৰান্তত অৱস্থিত কেইবাটাও সামৰিক অৱস্থানত আক্ৰমণ কৰে । এনে প্ৰৰোচনামূলক কাৰ্য্যৰ প্ৰত্যুত্তৰত ভাৰতেও সুনিৰ্দিষ্টভাৱে পাকিস্তানৰ কেইবাটাও বায়ু প্ৰতিৰক্ষা প্ৰণালীত আঘাত হানে । প্ৰতিৰোধৰ অপৰিহাৰ্য্যতাৰ স্বাৰ্থত, আগ্ৰাসনৰ সৈতে জড়িত হৈ থকা যুদ্ধ প্ৰণালী সমূহকে কেৱল লক্ষ্য কৰি লোৱা ভাৰতবৰ্ষই অপ্ৰৰোচনাৰ সামগ্ৰিক অঙ্গীকাৰ বজাই ৰাখিছিল । সমান্তৰালভাৱে, পাকিস্তানে জম্মু আৰু কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ পৰা অপ্ৰৰোচিতভাৱে মৰ্টাৰ, বৰটোপ ইত্যাদিৰ দৰে শক্তিশালী মাৰণাস্ত্ৰেৰে অসামৰিক এলেকাত আক্ৰমণ চলোৱাত পাঁচটি শিশু, তিনিগৰাকী মহিলাকে ধৰি ১৬ গৰাকীকৈ নিৰীহ লোকে প্ৰাণ হেৰুৱাবলগীয়া হয় । ভাৰতেও সমপৰ্য্যায়ৰ গোলা-বাৰুদেৰে ইয়াৰ প্ৰত্যুত্তৰ দিবলগীয়াত পৰে ।

নিৰস্ত্ৰ জনতা তথা সামৰিক লোকৰ ক্ৰমবৰ্দ্ধমান হত্যালীলাৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা 'অপাৰেচন সিন্দূৰ' আছিল এক সমতাহীন যুদ্ধযাত্ৰা । ভাৰতৰ প্ৰত্যুত্তৰ আছিল সু-চিন্তিত, কৌশলী আৰু সু-নিৰ্দিষ্ট । আন্তঃৰাষ্ট্ৰীয় সীমা উলংঘন নকৰাকৈ ভাৰতীয় সেনাবাহিনীয়ে সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনিসমূহত আঘাত হানে আৰু বহুতো ভীতি-স্থল নিষ্কাশিত কৰে ।

নিজৰ কোনো সম্পত্তিৰ ক্ষয়-ক্ষতি নোহোৱাকৈ সম্পন্ন কৰা ভাৰতৰ এই আক্ৰমণে ভাৰতীয় নিৰীক্ষণ ব্যৱস্থাৰ ফলপ্ৰসূতাৰ কথা প্ৰতীয়মান কৰে ।

'অপাৰেচন সিন্দূৰ'ৰ অসাধাৰণ সফলতাৰ বাবে মাননীয় অধ্যক্ষই সদনৰ হৈ ভাৰতীয় সেনাবাহিনী আৰু ভাৰত চৰকাৰলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। এই অসাধাৰণ সফলতাই সশস্ত্ৰ বাহিনীৰ অটল নিষ্ঠা, সাহসিকতা আৰু কৌশলী দক্ষতাৰ প্ৰতিফলন ঘটায় । এই অভিযানৰ সফলতা হৈছে দেশৰ সাৰ্বভৌমত্ব তথা নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰই লোৱা অঙ্গীকাৰৰ প্ৰমাণ ।

সভ্য সমাজক লজ্জানত কৰা সন্ত্ৰাসবাদীৰ এই নৃশংসতম হত্যালীলাৰ বিৰুদ্ধে জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সমগ্ৰ দেশবাসীয়ে একেস্বৰে প্ৰতিবাদমুখৰ হৈ হত্যাৰ বলি হোৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সহমৰ্মিতা প্ৰকাশ কৰাৰ লগতে সন্ত্ৰাসবাদী কাৰ্য্যকলাপৰ বিৰুদ্ধে ভাৰত চৰকাৰৰ নিৰ্দেশত ভাৰতীয় সামৰিক

বাহিনীয়ে কাৰ্য্যকৰী কৰা 'অপাৰেচন সিন্দূৰ'ৰ সময়ছোৱাত প্ৰদৰ্শন কৰা সমৰ্থন তথা সহযোগিতাৰ বাবে ভাৰতবৰ্ষৰ প্ৰতিগৰাকী নাগৰিকেই ধন্যবাদৰ পাত্ৰ ।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম মন্ত্ৰীসভাৰ সদস্যসকলক পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত পৰিয়ালবৰ্গক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰাৰ লগতে প্ৰতিটো পৰিয়াললৈ ৫ লাখকৈ টকাৰ আৰ্থিক অনুদান আগবঢ়াই যি উদাৰতা প্ৰকাশ কৰিলে, সেয়া নিতান্ত প্ৰশংসনীয়। এই মহৎ পদক্ষেপৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসম চৰকাৰলৈ মাননীয় অধ্যক্ষই অসম বিধান সভাৰ প্ৰতিগৰাকী সদস্যৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে ।

**ৰাতিপুৱা ৯.৪২ বজাত**

**১.৩**

## কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন

মাননীয় অধ্যক্ষই ২০২৫ চনৰ অসম বিধান সভাৰ এদিনীয়া অধিবেশনৰ বাবে স্থিৰ কৰা কাৰ্য্যসূচী সন্দৰ্ভত কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন পাঠ কৰে।

**ৰাতিপুৱা ৯.৪৪ বজাত**

**১.৪**

## শূন্যকালীন ঘণ্টা

শূন্যকালীন ঘণ্টাৰ কালছোৱাত নিম্নোল্লিখিত বিষয়সমূহ উত্থাপিত হয় ঃ

(ক) মাননীয় সদস্য শ্ৰী নুৰুল হুদাই "লংকাত সন্ধিয়া নামিলেই ক'লা পালচাৰ বাইক আৰোহীৰ সন্ত্ৰাস" শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

* (খ) মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন "উচ্চ/উচ্চতম ন্যায়ালয়ৰ জামিন পোৱা স্বত্বেও ডিটেনচন কেম্পত আটক আব্দুল খালেক, পুলিচৰ দ্বাৰা তথাকথিত পুশ বেক কৰা হ'ল খাইৰুল ইছলাম, মনোৱাৰ খাতুন আৰু অন্যান্য ব্যক্তিক, উচ্চ নতুবা উচ্চতম ন্যায়ালয়ৰ দ্বাৰা জামিন প্ৰদান কৰা স্বত্বেও কেইবাজনো ব্যক্তি এতিয়াও ডিটেনচন কেম্পত আটক হৈ আছে, যিটো ন্যায় আৰু মানবীয় অধিকাৰৰ পৰিপন্থী" শীৰ্ষক বিষয়টো উত্থাপন কৰে।

(গ) মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই "টাউনশ্বিপৰ প্ৰস্তাৱ বাতিল - ২,১০০ পৰিয়ালক পট্টা দিয়াৰ দাবী উত্থাপন সমিতিৰ" শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

---

* বিশেষ উল্লেখৰ সময়ত (নিয়ম ৩০১ৰ) অধীনত মাননীয় মুখ্যমন্ত্ৰীয়ে একেলগে উত্তৰ প্ৰদান কৰে।

**ৰাতিপুৱা ১০.৩৫ বজাত**

**১.৫**

## মনোযোগ আকৰ্ষণ

মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থই নিম্নোল্লিখিত বিষয়টো উত্থাপন কৰে ঃ

“কাটিগড়া তালকর গ্রাণ্টে বাড়ির উপর ভূমিস্খলন, আহত ৭”।

মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্তই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

**ৰাতিপুৱা ১০.৪৫ বজাত**

**১.৬**

## নিয়ম ৩০১ ৰ অধীনত বিশেষ উল্লেখ

(ক) মাননীয় সদস্য শ্ৰী দুৰ্গা দাস বড়োই “Advantage Assam 2.0 ৰ Investment আৰু নিয়োগ সম্পৰ্কে” শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মন্ত্ৰী শ্ৰী বিমল বড়াই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

(খ) মাননীয় সদস্য শ্ৰী ৰূপেজ্যোতি কুৰ্মীয়ে “হাতী মানুহৰ সংঘাতপ্ৰভাৱিত এলেকাত সৌৰ বেৰ আৰু ‘হাতী এপ’ৰ ব্যৱহাৰ শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

(গ) মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদে “দক্ষিণ কামৰূপৰ ঐতিহাসিক চমৰীয়া সত্ৰৰ সংৰক্ষণ আৰু উন্নয়ন সম্পৰ্কে” শীৰ্ষক বিষয়টো উত্থাপন কৰে।

মাননীয় মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাসে উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

(ঘ) মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াই “NRC ৰ কাম সোনকালে শেষ কৰাৰ সম্পৰ্কত” শীৰ্ষক বিষয়টো উত্থাপন কৰে।

* মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্থাপিত বিষয়টোৰ ওপৰত উত্তৰ প্ৰদান কৰে।

**দিনৰ ১২.৪৯ বজাত**

**১.৭**

## সংকল্প প্ৰস্তাৱ - গৃহীত

মাননীয় মন্ত্ৰী শ্ৰী যোগেন মহনে নিম্নোল্লিখিত সংকল্প প্ৰস্তাৱটো উত্থাপন কৰে -

“ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়, নতুন দিল্লীৰ অসামৰিক বিমান পৰিবহণৰ সঞ্চালক প্ৰধানে বিমান আইন, 1934 (1934 xxii) ৰ ধাৰা ৫ আৰু ৭ আৰু ধাৰা ৮ ৰ উপ-ধাৰা (২) য়ে প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি কৰা বিমান নিয়ম, ১৯৩৭ একাদশ খণ্ডত থকা নিয়ম অনুসৰি অসমৰ ডিব্ৰুগড় বিমান বন্দৰ'ৰ বাবে ভাৰতীয় বিমানবন্দৰ কৰ্তৃপক্ষক ‘বিমানবন্দৰ অনুজ্ঞাপত্ৰ প্ৰতিৰক্ষা আৰু ৰাজহুৱা ব্যৱহাৰ' জাৰি কৰিছে।

---

* মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শূন্যকালীন ঘণ্টা আৰু নিয়ম ৩০১ৰ উত্তৰ একেলগে প্ৰদান কৰে।

ডিব্ৰুগড়ৰ উক্ত বিমানবন্দৰটোৰ নাম সলনি কৰি “ভাৰত ৰত্ন ভূপেন হাজৰিকা বিমানবন্দৰ, ডিব্ৰুগড়” নামেৰে নামকৰণ কৰিবলৈ লোৱাটো আৰু সেই উদ্দেশ্যে ৰাজ্য বিধানসভাৰ অনুমোদন লাভ কৰাৰ পিছত ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ অনুমোদন লোৱাটো এক উপযুক্ত ব্যৱস্থা।

সেয়েহে, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১১৭ নং নিয়ম অনুসৰি ডিব্ৰুগড় বিমানবন্দৰটো “ভাৰত ৰত্ন ভূপেন হাজৰিকা বিমানবন্দৰ, ডিব্ৰুগড়” নামেৰে নামকৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাই আজিৰ বিধান সভাই সৰ্বসন্মত ভাৱে প্ৰস্তাৱ গ্ৰহণ কৰে।’

*

নিম্নোলিখিত সদস্যসকলে সংকল্প প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত অংশগ্ৰহণ কৰে ঃ

১) শ্ৰী প্ৰশান্ত ফুকন

২) শ্ৰী অতুল বৰা

৩) শ্ৰী দেবব্ৰত শইকীয়া

৪) শ্ৰী পদ্ম হাজৰিকা

৫) শ্ৰী মৃণাল শইকীয়া

৬) শ্ৰী কেশৱ মহন্ত

৭) শ্ৰী দিগন্ত বৰ্মন

৮) শ্ৰী বিমল বৰা

৯) ডাঃ ৰণোজ পেগু

১০) শ্ৰী ৰামকৃষ্ণ ঘোষ

১১) শ্ৰী পৃথ্বিৰাজ ৰাভা

১২) শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী

১৩) ড° ৰফিকুল ইছলাম

১৪) শ্ৰী দূৰ্গা দাস বড়ো

১৫) শ্ৰী মনোৰঞ্জন তালুকদাৰ

১৬) শ্ৰী অখিল গগৈ

১৭) শ্ৰী আব্দুৰ ৰশিদ মণ্ডল

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ প্ৰদান কৰে আৰু প্ৰস্তাৱটো সদনত সৰ্বসন্মতভাৱে গৃহীত হয়।

---

* সদনত উদ্ভৱ হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে দিনৰ ১২.৫১ বজাত সদন ৩০ মিনিটৰ বাবে স্থগিত ৰখা হয়।

**<u>বিয়লি ৩.৪০ বজাত</u>**

**<u>১.৮</u>**

## নিয়ম ১৩১ ৰ অধীনত প্ৰস্তাৱ - গৃহীত

মাননীয় সদস্য শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্যই নিম্নোলিখিত প্ৰস্তাৱটো উত্থাপন কৰে -

“পাকিস্তান আৰু পাক-অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী প্ৰশিক্ষণ শিবিৰ সমূহক লক্ষ্য কৰি ভাৰতীয় সম্পত্তিৰ হানি বিঘিনি নোহোৱাকৈ অটল নিষ্ঠা, সাহসিকতা আৰু কৌশলগত দক্ষতা প্ৰদৰ্শনৰে সন্ত্ৰাসবাদী চক্ৰ ৰোধ কৰি ভৱিষ্যতে হ'ব পৰা এনে ভাবুকি দূৰ কৰাৰ বাবে চলোৱা ‘অপাৰেচন সিন্দুৰ’- নিয়ন্ত্ৰিত সামৰিক অভিযানৰ সফলতাৰ বাবে ভাৰতীয় সশ্ৰস্ত্ৰ বাহিনী আৰু ভাৰত চৰকাৰক এই সদনে অভিনন্দন জ্ঞাপন কৰিছে।”

নিম্নোলিখিত সদস্যসকলে প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত অংশগ্ৰহণ কৰে ঃ

১) শ্ৰী দেৱব্ৰত শইকীয়া

২) শ্ৰী সুশান্ত বৰগোঁহাই

৩) ড° ৰফিকুল ইছলাম

৪) শ্ৰী প্ৰদীপ হাজৰিকা

৫) শ্ৰী জাকিৰ হুছেইন সিকদাৰ

৬) শ্ৰী মানৱ ডেকা

৭) শ্ৰী মনোৰঞ্জন তালুকদাৰ

৮) শ্ৰীকমলাক্ষ দে পুৰকায়স্থ

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ প্ৰদান কৰে আৰু প্ৰস্তাৱটো সদনত গৃহীত হয়।

**<u>বিয়লি ৫.২৫ বজাত</u>**

**<u>১.৯</u>**

## নিয়ম ৫০ ৰ অধীনত আলোচনা

মাননীয় সদস্য শ্ৰী ভাস্কৰ জ্যোতি বৰুৱাই “জল জীৱন মিছনৰ বিফলতা” শীৰ্ষক বিষয়টো আলোচনাৰ বাবে উত্থাপন কৰে। নিম্নোল্লিখিত সদস্যসকলে আলোচনাত অংশগ্ৰহণ কৰে ঃ

১) শ্ৰী বিশ্বজিৎ ফুকন

২) শ্ৰী আশ্ৰাফুল হুছেইন

৩) শ্ৰী জাকিৰ হুছেইন সিকদাৰ

৪) শ্ৰী মনোৰঞ্জন তালুকদাৰ

৫) শ্ৰী অখিল গগৈ

৬) শ্ৰী দূৰ্গা দাস বড়ো

মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱাই আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰে।

**সন্ধিয়া  ৬.৪৪ বজাত**

**১.১০**

দিনটোৰ বাবে নিৰ্ধাৰিত কাৰ্য্যসূচীৰ অন্ত পৰাত মাননীয় উপাধ্যক্ষই সামৰণি বক্তব্য প্ৰদান কৰে।

**সন্ধিয়া  ৬.৪৮ বজাত**

**১.১১**

**জাতীয় সংগীত**

জাতীয় সংগীত পৰিৱেশন  কৰা হয়।

**সন্ধিয়া  ৬.৪৯ বজাত**

সদন সোমবাৰ সন্ধিয়া ৬ঃ৪৯ বজাত অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হয়।

দিশপুৰ, ৯ জুন , ২০২৫

স্বাঃ / দুলাল পেগু
**সচিব**
অসম বিধান সভা

মেমো নং এল,এ,এল,এন,জি/বি,এল/০১/২০২৫/২৫১৭ দিনাংক দিশপুৰ ৯ জুন, ২০২৫

অসম বিধান সভাৰ সমূহ মাননীয় সদস্য/সদস্যাৰ জ্ঞাতাৰ্থে প্ৰতিলিপি প্ৰেৰণ কৰা হ'ল।

বিতৰ্কসমূহৰ মুখ্য প্ৰতিবেদক
তথা পদেন যুটীয়া সচিব
অসম বিধান সভা

**रावसोलायनाय**

# आसाम आयेन आफाद
## सानसेनि जथुम
## बिबुंसार-I(Vol. I)
## लिरबिदांनि सुंथाब रेबगान्थि
## समबार, 9 जुन, 2025

खायसे राइजोआरि गोनांथार आयदाखौ मावफुंनायनि थाखाय हांख्रायनाय बे सानसेनि जथुमा फुंनि 9.30 रिंगायाव जागायो।
जथुमनि जागायनायाव हादरारि संमेथाइ खननाय जायो।

**फुंनि 9.30 रिंगा:**

**1.1** **दाहा फोरमायनाय**

मानगोनां बुंथिगिरिया गाहायाव होनाय रुंसारि जानाय गेदेमा सुबुंफोरखौ गोसोखांना दाहा फोरमायो-

1. शुकुर आलि आहमेद - आसामनि बारग' मन्थ्रि
2. मानिकी गगै - उदांस्रि दावहारु
3. ड० लक्ष्यहीरा दास - मुंदांखा सोलोंथाइगिरि, देंखोगिरि एबा रोजाबगिरि
4. भबानि प्रसाद अधिकारि - गेदेमा सोलोंथाइगिरि थामहिनबा थुनलाइगिरि
5. ड० नगेन ठाकुर - सोलोंथाइगिरि, थुनलाइगिरि थामहिनबा राविबिगियानगिरि
6. चन्द्र कुमार शर्मा - आजिरामोननाय हादाबसा बिसायख'थि बेंगिरि
7. दाम'दर बरा - मुंदांखा देंखोगिरि
8. अशक बरदलै - हारिमुगिरि
9. मेहताब हुसेइन - मुंदांखा फावगिरि थामहिनबा सावथुन बिथोनगिरि
10. हेम दत्त - मुंदांखा मेथाइ रोजाबगिरि, देंखोगिरि थामहिनबा फावथाइगिरि
11. लक्ष्मीनाथ ब्रह्म - गेदेमा बर' थुनलाइगिरि एबा साहित्य अकादेमी बान्था मोनगिरि
12. फैलाउ बसुमतारि - फावखुंगुर
13. गितालि बरुवा - मुंदांखा फावखुंग्रि एबा थुनलाइगिरि
14. गायत्री हाजरिका - मुंदांखा रोजाबगिरि

मानगोनां बुंथिगिरिया बेजों लोगोसे 2025 मायथाइनि 22 एप्रिल खालारखालि पेहेलगामाव पाकिस्थाननि उदखारिफोरनि गाग्लोबनायाव जिउ गोमानाय दुखुथिया सुबुंफोरनि अनगायैबो हादाबसानि बावैसो जालांनाय दैबानायाव जिउ गोमानाय सुबुंफोरनि सोमोन्दैबो दाहा फोरमायनायाव मख'यो।

**फुंनि 9.36 रिंगा:**
**1.2**

## बुंथिगिरिनि रायखांनाय

मानगोनां बुंथिगिरिया हादरनि रैखाथि, उदां जारगोराथि थामहिनबा रैखाथि आयदाजों सोमोन्दो थानाय खायसे गोनांथार आयदा रायखाङो। मानगोनां बुंथिगिरिया रायखाङोदि, थांनाय 22 एप्रिल खालाराव जम्मु आरो काश्मिरनि पेहेलगामाव उदखारिफोरा सा 26 दायगैयै दावबायारिफोरखौ दोहोरोमनि बिथायाव बोखावनानै थौले मेलेमजों खाम्रि बिम्रि बुथारो। बेनि फिननायाव भारत सरखारा 7 मे खालाराव ‘अपारेसन सिन्दुर’ मुंनि रौनिया गाग्लोबनायजों पाकिस्थान आरो पाकिस्थाना आवग्रिनाय काश्मिराव थानाय गोबां उदखारिफोरनि बादायाव गाग्लोबो। ओन्सोलाव उदखारि हाबाफारि थामहिनबा उदखारि थाग्रा जायगानि सोमोन्दै पाकिस्थाना खनले खनले नेवसिबोनायनि थाखाय भारत सरखारा बिदि गोख्रों थामहिनबा बिबानगोनां राहा आजावनो गोनां जायो।

बे गाग्लोबनायाव पाकिस्थान थामहिनबा पाकिस्थाना आवग्रिनाय काश्मिरनि मोन 9 उदखारिनि बादाखौ गोख्रों थांखिनानै लानाय जादोंमोन। जेबो रोखोमनि रौनिया बादाया बे गाग्लोबनायनि थांखि नङामोन। नाथाय जोबोर गोहैलो गोसोजों पाकिस्थाना थांनाय 8 मे खालाराव ड्रोन, मिसाइल बायदिजों भारतनि साहा थामहिनबा सोनाब सिमायाव थानाय गोबां रौनिया थानाय जायगायाव गाग्लोबो। बिदि रोखोमनि गोहैलो हाबानि फिननायाव भारताबो गोख्रोङै पाकिस्थाननि गोबां अखरां जाहाज रैखाथि बिखान्थियाव गाग्लोबो। हेंथा होनायनि गोनांथार राहायाव, गाग्लोबनायजों लोब्बा थानाय दावहानि बिखान्थिफोरखौल’ थांखिनानै लानाय भारता गावनि थांखिखौ गोजौरै लाखिदोंमोन। समानथियै, पाकिस्थाना जम्मु आरो काश्मिरनि सिमा ओनसोलनिफ्राय मर्टार, गिलिर आर्टिलारि बायदि गोहोगोरा हाथियारजों सुबुं थानाय जायगायाव गाग्लोबनायाव साबा गथ’सा, साथाम आइजोखौ लाफानानै सा 16 दायगैयै सुबुङा जिउ खोमानांगौ जायो। भारताबो समानबिबांनि गुलि-बारुदजों बेनि फिननाय होनांगौ जायो।

हाथियारगैयै सुबुं थामहिनबा रौनियाफोरनि फारियै बुथारग्लुंनायनि थाखाय सोमजिनाय ‘अपारेसन सिन्दुर’आ जाबाय मोनसे समानथिगैयै दावहानि बाहागो। भारतनि फिननाया जाबाय सानग्रोमनाय, सोलो आरो थि थांखिगोनां। हादर गेजेरारि सिमा बारालासै भारतनि रौनिया हान्जाया उदखारिफोरनि इसिंदाथाइफोरखौ गाग्लोबो आरो गोबां थाग्रा थावनिखौ फोजोबस्राङो।

गावनि जेबो दोहोन खहा जायालासै मावफुंनाय भारतनि बे गाग्लोबनाया भारतनि नायदिंनाय बिखान्थिनि हामजाथावनानि बाथ्राखौ फोरमान होयो।

‘अपारेसन सिन्दुर’ सरासनस्रा नङै जाफुंसारनायनि थाखाय मानगोनां बुंथिगिरिया जथुमनि जानानै भारतनि रौनिया हान्जा आरो भारत सरखारनो गोसो गोरबोजों साबायखर बाउवो। बे सरासनस्रा नङै जाफुंसारनाया फाइखि हान्जानि गोख्रों नाजानाय, साहस आरो सोलोगोनां रोंगौथिखौ फोरमायो। बे गाग्लोबनाया जाफुंसार जादों हादरनि उदां जारखुंथाइ थामहिनबा हायुंसानि रैखाथि रोखा खालामनायनि थाखाय हादरा लानाय थांखिनि फोरमान।

सोद्रोम समाजखौ गुबुंले खालामनाय उदखारिनि बे खाम्रि बिम्रि बुथारग्लुंनायनि बेरेखायै हारि राव दोहोरोम सायख’आलासै गासै हादरानो मोनसे रावजों सोंखारिनायजों बुथारजानाय सुबुंफोरनि न’खरफोरनो अनसाइनाय फोरमायनायजों लोगोसे उदखारि हाबाफारिनि बेरेखायै भारत सरखारनि बिथोनाव भारतनि रौनिया

हान्जाया मावफुंनाय 'अपारेसन सिन्दुर'नि समाव दिन्थिनाय हेफाजाब थामहिनबा हेफाजाब होनायनि थाखाय भारत हादरनि गासै हायुंसायानो साबायखर मोननांगोन।

मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माया आसाम मन्थ्रि आफादनि सोद्रोमाफोरखौ पेहेलगामाव उदखारिजों गाग्लोबनायाव थैनाय न'खरफोरखौ गावारि हिसाबै लोगो हमनानै दुखु फोरमायनायजों लोगोसे मोनफ्रोमबो न'खरनो 5 लाख रांनि राङारि अनसुंथाइ होनानै जा बिदिन्थि होबाय, बेयो थारैनो बाखनायथाव। बे गिदिर राहानि थाखाय मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माजों लोगोसे आसाम सरखारनो मानगोनां गिबि मन्थ्रिया आसाम आयेन आफादनि साफ्रोमबो सोद्रोमानिफ्राय गोसो गोर्बोजों साबायखर बाउवो।

**फुंनि 9.42 रिंगा:**

**1.3**

## हाबाफारि सुबुरुन आफादनि फोरमायथि

मानगोनां बुंथिगिरिया 2025 मायथाइनि आसाम आयेन आफादनि सानसेनि जथुमनि थाखाय थि खालामनाय हाबाफारिनि सोमोन्दै हाबाफारि सुबुरुन आफादनि फोरमायथिखौ फरायो।

**फुंनि 9.44 रिंगा:**

**1.4**

## लाथिख' सम

लाथिख' समाव गाहायाव होनाय आयदाफोरखौ दैखाङो :

(क) मानगोनां सोद्रोमा मुस्रि नुरुल हुदाया ''लंकायाव खोमसि जाब्लानो गोसोम पालसार बाइक सालायग्रानि उदखार'' आयदाखौ दैखाङो।

मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माया दैखांनाय आयदानि सायाव फिननाय होयो।

*(ख) मानगोनां सोद्रोमा मुस्रि आस्राफुल हुसेइना ''गोजौ/जौसिन बिजिरसालिनि जामिन मोननायनि उनावबो डिटेनसन केम्पाव हमनानै दोनदों आब्दुल खालेक, पुलिसनि जोहै पुसबेक खालामनाय जाबाय खाइरुल इस्लाम, मन'वारा खातुन आरो गुबुन गुबुन सुबुंखौ, गोजौ नङाबा जौसिन बिजिरसालिनि जोहै जामिन मोननायनि उनावबो गोबां सुबुङा दासिमबो डिटेनसन केम्पाव हमजानानै दं, जाय न्याय आरो सुबुंथिनि मोनथाइनि बेरेखा'' आयदाखौ दैखाङो।

(ग) मानगोनां सोद्रोमा मुस्रि रमेन्द्र नारायन कलिताया ''टाउनसिपनि थांखिखौ नेवसिबाय- 2,100 न'खरनो पाट्टा होनायनि दाबि दैखांग्रा आफाद'' आयदाखौ दैखाङो।

मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माया दैखांनाय आयदानि सायाव फिननाय होयो।

---

*जुनिया मुंख'नाय समाव खान्थि 301 नि सिङाव मानगोनां गिबि मन्थ्रिया लोगोसे फिननाय होयो।

**फुंनि 10.35 रिंगा:**

**1.5** **नोजोर बोहोनाय**

मानगोनां सोद्रोमा मुस्रि कमलाक्ष दे पुरकायस्थ'आ गाहायाव होनाय आयदाखौ दैखाङो:

"কাটিগড়া তালকর গ্রান্টে বাড়ির উপর ভূমিস্খলন, আহত ৭।"

मानगोनां मन्थ्रि मुस्रि केसब महन्तआ दैखांनाय आयदानि सायाव फिननाय होयो।

**फुंनि 10.45 रिंगा:**

**1.6** **खान्थि 301 नि सिङाव जुनिया मुंखनाय**

(क) मानगोनां सोद्रोमा मुस्रि दुर्गा दास बर'आ ''एडभान्टेज आसाम 2.0नि इनभेस्टमेन्ट''आयदाखौ दैखाङो। मानगोनां मन्थ्रि मुस्रि बिमल बराया दैखांनाय आयदानि सायाव फिननाय होयो।

(ख) मानगोनां सोद्रोमा मुस्रि रुपज्योति कुर्मिया ''मैदेर मानसिनि गेजेराव दाङाबाजि सोमजिनाय एलेखायाव स'लारनि बेरा आरो मैदेर एप'' बाहायनाय आयदाखौ दैखाङो।

मानगोनां मन्थ्रि मुस्रि चन्द्रमहन पाटवारिया दैखांनाय आयदानि सायाव फिननाय होयो।

(ग) मानगोनां सोद्रोमा मुस्रि रेकिबुद्दिन आहमेदआ ''खोला कामरुपनि जारिमिनारि चमरिया सत्रखौ सरैखा खालामनाय आरो जौगाखां सोमोन्दै'' आयदाखौ दैखाङो।

मानगोनां मन्थ्रि मुस्रि रनजित कुमार दासआ दैखांनाय आयदानि सायाव फिननाय होयो।

(घ) मानगोनां सोद्रोमा मुस्रि देब'ब्रत शइकिया ''एन आर चि नि खामानिखौ गोख्रैनो फोजोबनाय सोमोन्दै'' आयदाखौ दैखाङो।

*मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माया दैखांनाय आयदानि सायाव फिननाय होयो।

**सानजौफुनि 12.49 रिंगा:**

**1.7** **थांखि दैखांनाय**

मानगोनां मन्थ्रि मुस्रि जगेन महनआ गाहायाव होनाय थांखिखौ दैखाङो :

जेराव, भारत सरखारनि सुबुं अखरां जाहाज हान्था मेला बिफान, गोदान दिल्लीनि सुबुं अखरां जाहाज हान्था मेला बिथोनगिरि गाहाइया अखरां आयेन, 1934(1934नि XXII) नि खान्थि 5 आरो 7 आरो खान्थि 8नि लेङाइ खान्थि(2)याव होनाय गोहोखौ बाहायनानै खालामनाय अखरां जाहाज नेमखान्थि, 1937नि जिसेथि खोन्दोआव थानाय नेमखान्थि बादियै आसामनि ''दिब्रुगर बिरखं गाथोन''नि थाखाय भारतारि बिरखं गाथोननि बिफानारिनो ''बिरखं गाथोन गनायथिलाइ रैखाथि आरो राइजोनि थाखाय बाहायनाय'' सोमोन्दै फोसावदों।

---

*मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माया लाथिख' सम आरो खान्थि 301नि फिननायखौ लोगोसे होयो।

आरो जेराव, बै बिरखं गाथोननि मुंखौ सोलायनानै ‘‘भारत रत्न भुपेन हाजरिका बिरखं गाथोन, दिब्रुगर’’ मुं दोननो लानायखौ आरो बै थांखिजों हादाबसानि आयेन आफादाव गनायथि मोननायनि उनाव भारत सरखारनि सुबुं अखरां जाहाज हान्था मेला बिफाननि गनायथि लानाया मोनसे गेबें बिखान्थि।

बेखायनो दायो, आसाम आयेन आफादनि बिखान्थि आरो हाबाफारि सामलायनाय खान्थिनि 117 नं खान्थि बादियै दिब्रुगर बिरखं गाथोनखौ ‘‘भारत रत्न भुपेन हाजरिका बिरखं गाथोन, दिब्रुगर’’ मुं दोननो थाखाय मिरु सरखारखौ खावलायनानै दिनैनि आयेन आफादा बयनिबो गनायथिजों थांखि आजावो।’’

*

गाहायाव होनाय सोद्रोमाफोरा थंखि दैखांनाय सोमोन्दै सावरायनायाव बाहागो लायो:

1. मुस्रि प्रसान्त फुकन
2. मुस्रि अतुल बरा
3. मुस्रि देब’ब्रत शइकिया
4. मुस्रि पद्म हाजरिका
5. मुस्रि मृनाल शइकिया
6. मुस्रि केसब महन्त
7. मुस्रि दिगन्त बर्मन
8. मुस्रि बिमल बरा
9. डा: रण’ज पेगु
10. मुस्रि रामकृष्ण घ’ष
11. मुस्रि पृथ्विराज राभा
12. मुस्रि गबिन्द चन्द्र बसुमतारि
13. ड० रफिकुल इस्लाम
14. मुस्रि दुर्गा दास बर’
15. मुस्रि मन’रन्जन तालुकदार
16. मुस्रि अखिल गगै
17. मुस्रि आब्दुर रशिद मन्दल

मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माया फिननाय होयो आरो थांखिया जथुमाव बयनिबो गनायथियाव आजावजायो।

---

*जथुमाव दावराव जानायनि थाखाय सानजौफुनि12.51 रिंगायाव जथुमखौ 30 मिनिटनि थाखाय दोनथ’नाय जायो।

**बेलासिनि 3.40 रिंगा:**

**1.8**

## खान्थि 131नि सिडाव थांखि आजावनाय

मानगोनां सोद्रोमा मुस्रि सिधार्थ भट्टाचार्यआ गाहायाव होनाय थांखिखौ दैखाङो:-

"बे जथुमा भारतारि रौनिया हान्जा आरो भारत सरखारखौ 'अपारेसन सिन्दुर' नि जाफुंसार जानायनि थाखाय साबायखर बाउवो, जेराव पाकिस्थान आरो पाकिस्थानजों आवग्रिनाय कास्मिराव उदखारिफोरनि फोरोंथाइ बादाफोरखौ थांखिनानै मोनसे गोख्रों फाइखि गाग्लोबनाय जादोंमोन, जायनि गेजेरजों उदखारिफोरनि फोनांजाब राहाखौ फोजोबस्रांनो हादों आरो भारतनि दोहोन खहा जायालासै इयुननि खैफोदखौ फोजोबस्रांबाय आरो जोंनि रौनिया हान्जानि गोख्रों, साहस, देदगाथाव आरो सोलोआरि गोहोखौ दिन्थिनो हादों।"

गाहायाव होनाय सोद्रोमाफोरा थांखिजों सोमोन्दो थानाय सावरायनायाव बाहागो लायो:

1. मुस्रि देब'ब्रत शइकिया
2. मुस्रि सुसान्त बरग'हाइ
3. ड० रफिकुल इस्लाम
4. मुस्रि प्रदिप हाजरिका
5. मुस्रि जाकिर हुसेइन सिकद्दार
6. मुस्रि मानब डेका
7. मुस्रि मन'रन्जन तालुकदार
8. मुस्रि कमलाक्ष दे पुरकायस्थ

मानगोनां गिबि मन्थ्रि ड० हिमन्त बिश्व शर्माया फिननाय होयो आरो थांखिया जथुमाव आजावजायो।

**बेलासिनि 5.25 रिंगा:**

**1.9**

## खान्थि 50नि सिडाव सावरायनाय

मानगोनां सोद्रोमा मुस्रि भास्कर ज्योति बरुवाया "জল জীৱন মিছনৰ বিফলতা" आयदाखौ सावरायनो थाखाय दैखाङो। गाहायाव होनाय सोद्रोमाफोरा सावरायनायाव बाहागो लायो।

1. मुस्रि बिश्वजित फुकन
2. मुस्रि आस्राफुल हुसेइन
3. मुस्रि जाकिर हुसेइन सिकद्दार
4. मुस्रि मन'रन्जन तालुकदार
5. मुस्रि अखिल गगै
6. मुस्रि दुर्गा दास बर'

मानगोनां मन्थ्रि मुस्रि जयन्त मल्ल बरुवाया सावरायनायनि जोबथायाव फिननाय होयो।

**मोनाबिलिनि 6.44 रिंगा:**

**1.10**

सानसेनि थाखाय थि खालामनाय हाबाफारिया जोबनायाव मानगोनां लेङाइ बुंथिगिरिया थुंगेनाय बिबुंथि होयो।

**मोनाबिलिनि 6.48 रिंगा:**

**1.11**

**हादाबसानि मेथाइ**

हादाबसा मेथाइ रोजाबनाय जायो।

**मोनाबिलिनि 6.49 रिंगा:**

जथुमखौ समबारनि मोनाबिलि 6.49 रिंगायाव थि गैयै समसिम दोनथ'नाय जायो।

**दिसपुर**

9 जुन, 2025

**मुंसाइ- दुलाल पेगु**

नेहाथारि

आसाम आयेन आफाद

मेम' नं. LALNG/BL /01/2024/2517

खालार दिसपुर, 9 जुन, 2025

आसाम आयेन आफादनि गासै सोद्रोमा/सोद्रोमाजोनो मिथिहोनायनि थाखाय रेबस्लाय दैथाइनाय जाबाय।

मुंसाइ-

गाहाइ फोरमायग्रा-लोगोसे-दान्थेबिदान्थे गाहाइ सुजुगिरि

आरो मासियारि जुथाइ नेहाथारि

आसाम आयेन आफाद